# 2018

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'সংক্ষেপে কৃষ্ণলীলা' প্ৰবন্ধটো বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ কোনখন গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা হৈছে?

(খ) শঙ্কৰদেৱে মাধৱদেৱক কি বুলি সম্বোধন কৰিছিল?

(গ) "বলে বীৰ্য্যে জ্ঞানে বুদ্ধিয়েও যি সকল লোক পৃথিৱীৰ আটাই জাতি লোকতকৈ বৰ্হা" বুলি কাৰ বিষয়ে কোৱা হৈছে?

(ঘ) লম্বোদৰ বৰাই কি গুণৰ বাবে অসমীয়া জাতি সুখী হোৱা বুলি কৈছে?

(ঙ) মাধৱদেৱৰ অন্তিম ৰচনা কি?

(চ) মণিৰাম দেৱানৰ প্ৰধান সহযোগী কোন আছিল?

(ছ) জগৎ-সৌন্দৰ্যৰ ফালে কিহে আমাক বাট দেখুৱাই লৈ যায়?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) শ্ৰীকৃষ্ণৰ পত্নীসকলে চন্দ্ৰ আৰু কোকিলক কি কৈছিল?

(খ) শঙ্কৰদেৱক টোপনিৰ পৰা জগাবলৈ তেওঁৰ জীয়েকে কি কৈছিল?

(গ) নগঞা লোকে কেনেকুৱা সঁজুলিৰে ইংৰাজৰ সৈতে যুঁজ কৰিবলৈ সাজু হৈছিল?

(ঘ) কোন শ্ৰেণীৰ লোকক 'পৃথিৱীৰ মঙ্গলমলয়া' বুলি অভিহিত কৰা হৈছে, বুজাই লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা লিখা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) কালমূৰ্ত্তি ভগৱন্তয়ে লীলায় ভূ-ভাৰ হৰিছা।

(খ) তেহে স্নানকৈ আহি বোলে মাতৃ পাগ-পাত্ৰ দুৰকৈ বস্ত্ৰ ধুই খাৱে টেঙ্গা স্নানকৈ উপাসে থাকি চাউল সিজাবা।

(গ) কৰ্তব্য-পালন নিৰানন্দনাশী মহামন্ত্ৰ।

(ঘ) সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য ভক্তিৰ মূৰ্ত্তিমান স্বৰূপ বুলিব পাৰি।

(ঙ) প্ৰাণৰ সুখ-দুখ, আনন্দ-বিষাদৰ অনুভূতিবোৰ ভাষাৰ ভিতৰেদি দহৰ ওচৰত প্ৰকাশ কৰাতেই সাহিত্যৰ সৃষ্টি।





৪। (ক) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠৰ আধাৰত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ আলাপ-আলোচনাসমূহৰ এটি চমু আভাস দাঙি ধৰা। ১০

*অথবা*

(খ) পাঠ্যপুথিৰ আধাৰত 'অৰুণোদয়' কাকতৰ গদ্য-ৰীতি সম্বন্ধে এটি টোকা প্ৰস্তুত কৰা। ১০

৫। (ক) সত্যনাথ বৰাই পৃথিৱীৰ মানুহক কি কি শ্ৰেণীত ভগাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) পাঠ্যপুথিৰ আধাৰত 'নামঘোষা'ৰ বিষয়ে এটি আলোচনা যুগুত কৰা। ১০

৬। (ক) মণিৰাম দেৱানৰ পৰিচয় দিয়া আৰু তেওঁক ফাঁচী দিবলৈ কিদৰে আঁচনি লোৱা হৈছিল, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) সাহিত্য সৃষ্টিৰ বাবে সাধনাৰ প্ৰয়োজন আছেনে, আলোচনা কৰা। ১০

★★★